# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-08-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

**------------------**

০০০০০

ৰাজ্য চৰকাৰে অসমৰ বান প্ৰভাৱিত লোকক সহায় কৰাৰ বাবে কেন্দ্ৰৰ পৰা এহেজাৰ কোটি টকাৰ সাহায্য বিচাৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলযোগে এই কথা সদৰি কৰে। ড০ শৰ্মাই কয় যে তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ৰাজ্যৰ বান প্ৰভাৱিত প্ৰায় ৮০ হাজাৰ লোকৰ সহায়ৰ বাবে এহেজাৰ কোটি টকাৰ সহায় বিচাৰিছে। মেঘালয়ৰ শেহতীয়া ঘটনাক্ৰমক লৈ মন্তব্য কৰি ড০ শৰ্মাই কয় যে পেট্ৰিচিয়া মুখিমৰ দৰে বুদ্ধিজীৱিয়ে অসমৰ পৰ্যটকৰ বিৰুদ্ধে লিখা-মেলা কৰে যদিও ৰাজ্যখনৰ একাংশ লোকে অসমীয়াক ভাল পায়। তেওঁ লগতে পৰ্যটকৰ বাবে ডিফু, উমৰাংছ'ৰ দৰে পৰ্যটন ক্ষেত্ৰবোৰৰ অধিক বিকাশ কৰিব লাগিব বুলি মন্তব্য কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খাট্টাৰক সাক্ষাৎ কৰে আৰু ৰাজ্যৰ শক্তি আৰু নগৰীয়া আন্তঃগাঁথনি খণ্ডৰ অগ্ৰাধিকাৰক লৈ আলোচনা কৰে। বৈঠকত দীৰ্ঘকালীন বিদ্যুৎ চাহিদা, কেন্দ্ৰীয় উৎপাদন কেন্দ্ৰৰ পৰা আবণ্টিত বিদ্যুতৰ সদ্ব্যৱহাৰ আৰু মাটিৰ তলেৰে কেবল স্থাপন কৰি গুৱাহাটীৰ বিতৰণ নেটৱৰ্ক সুদৃঢ়কৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। দুয়োগৰাকী নেতাই লগতে গেছ আধাৰিত বিদ্যুৎ উৎপাদনৰ বাবে প্ৰাকৃতিক গেছৰ সদ্ব্যৱহাৰ আৰু মূল্য নিৰ্ধাৰণক লৈও মত-বিনিময় কৰে। বৈঠকত  স্বাস্থ্য সেৱা, ক্ৰীড়া আৰু সকলো বতৰৰ বাবে অনুকূল আন্তঃগাঁথনিত বিশেষ গুৰুত্ব আৰোপ কৰি নগৰীয়া প্ৰত্যাহ্বান পুঁজিৰ অধীনৰ প্ৰস্তাৱসমূহেও আগস্থান লাভ কৰে। বৈঠকত শ্ৰীখাট্টাৰে অসমৰ উন্নয়নমূলক পদক্ষেপৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে।

০০০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি ২৮ আগষ্টত উদ্বোধন কৰিবলগীয়া আমিনগাঁৱৰ সাঁতোৰ প্ৰকল্পস্থিত ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ সকলো সুবিধা আৰু উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। পৰহিলৈ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনৰ এই কেন্দ্ৰটো এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰে সমৃদ্ধ। প্ৰকল্পটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ২৫-ইনটু-২০ মিটাৰ জোখৰ এটা ড্ৰাইভিং পুখুৰী অন্তৰ্ভুক্ত হৈ

আছে। কেন্দ্ৰটোত ৩০গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব। উদ্বোধনী অনুষ্ঠানৰ দিনা অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ লগত এখন বুজাবুজি চুক্তিৰ স্বাক্ষৰিত হ'ব।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত এইচ আই ভি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যৰ প্ৰতিখন জিলাত আজিৰে পৰা ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান আৰম্ভ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এই অভিযান মুকলি কৰে। অনুষ্ঠানত সাংসদ যোগেন মহন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক চক্ৰধৰ গগৈৰ লগতে জিলা আয়ুক্ত বিক্ৰম কৈৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত সচিব মুনীন্দ্ৰ নাথ ঙাটেকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিংহলে কয়, যে এইচ আই ভি সংক্ৰমণৰ বিভিন্ন দিশ সন্দৰ্ভত সজাগতা সৃষ্টি তথা এইডছত আক্ৰান্ত লোকৰ প্ৰতি বৈষম্য দূৰ কৰা, এইচ আই ভি আৰু এইডছ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন বিষয়ক জ্ঞানৰ প্ৰসাৰ, ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ কাৰ্য্যসূচীৰ অধীনৰ অন্যান্য সেৱা আদিৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ বাবে দুমাহজোৰা কাৰ্য্যসূচী আৰম্ভ কৰা হৈছে।

-বাইট(সিংহল)-

০০০০০

ৰাজ্যৰ সাঁচিকাঠ খণ্ডৰ বহনক্ষম উন্নয়ন আৰু প্ৰসাৰৰ উদ্দেশ্যে গঠিত বহু বিভাগীয় কাৰ্যবাহিনীৰ প্ৰথমখন গুৰুত্বপূৰ্ণ বৈঠক আৰু অংশীদাৰসকলৰ সৈতে দিনজোৰা মত-বিনিময় সভা আজি গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যৰ আনুমানিক ৩ লাখ হেক্টৰ ভূমি সামৰি ৰোপণ কৰা সাঁচি গছৰ বিপুল সম্পদক মূলধন হিচাপে লৈ প্ৰসংস্কৰণ, মূল্য সংযোজন, বিপণন আৰু ৰপ্তানিক সাঙুৰি সুসংহত মূল্য শৃংখলা গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হয়। অনুষ্ঠানত কৃষক আৰু ব্যৱসায়ীসকলৰ সমস্যাসমূহৰ সমাধানৰ বাবে সুনিৰ্দিষ্ট সাঁচি কাঠ নীতি প্ৰস্তুত কৰা হ'ব বুলি আশা প্ৰকাশ কৰা হয়। অনুষ্ঠানত কৃষি মন্ত্ৰী পীযুষ হাজৰিকা, উদ্যোগ মন্ত্ৰী বিমল বৰা, বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত থাকে।

০০০০০

টিমনা ফুটবল প্ৰশিক্ষণ কেন্দ্ৰত ২০২৬-২৭ বৰ্ষৰ ডিব্ৰুগড় এ ডিভিজন ফুটবল লীগৰ খিতাপ দখল কৰিছে। দলটোৱে আজি ফাইনেলত মিলনজ্যোতি সংঘক ২-১ গ'লত পৰাস্ত কৰে। টিমনাৰ হৈ আকাশ লোহাৰ খেলৰ ২০ মিনিটত আৰু অমন গ'ড়ে ৮৫ মিনিটত গ'ল কৰে। মিলনজ্যোতিৰ সংঘৰ হৈ উজ্জ্বলিক ফুকনে ৪৩ মিনিটত একমাত্ৰ গ'লটো কৰে।

০০০০০০

সমাপ্ত